# মৰঙি দৰ্পণ

(ই-মেগাজিন)

মৰঙি মহাবিদ্যালয় (কনিষ্ঠ)ৰ বাৰ্ষিক মুখপত্ৰ ২০১৯-২০ বৰ্ষ



সম্পাদনা সমিতিৰ হৈ -

উপদেষ্টা ঃ
মৃনালিনী হাজৰিকা (অধ্যক্ষ)

সম্পাদনা সমিতিৰ হৈ -
ৰত্নেশ্বৰ মৰাং
বিকাশ হাজৰিকা
নীলাক্ষী হাজৰিকা




অলংকৰণ ঃ
প্ৰজ্ঞান ডিজিটেল
বোকাখাত

প্ৰকাশক ঃ
মৰঙি মহাবিদ্যালয় (কনিষ্ঠ)

**সম্পাদনা কক্ষৰ পৰা ঃ** "মৰঙি দৰ্পণ" আমাৰ সপোন আৰু হেঁপাহৰ ফচল। সময়ৰ গতিৰ লগত খোজ মিলাই যাত্ৰা কৰাৰ প্ৰয়াস মাথোন। ছাত্ৰ-ছাত্ৰীৰ বৌদ্ধিক উত্তৰণৰ আৰু মননশীল দিশক জনমানসত দাঙি ধৰাৰ প্ৰচেষ্টা অব্যাহত ৰাখিছোঁ কম সময়ৰ মাজত। খুটি-নাটি ভুলৰ বাবে ক্ষমিব।

## ২০১৯ - ২০২০ বৰ্ষৰ ছাত্ৰ একতা সভাৰ সদস্য ঃ

সাধাৰণ সম্পাদক ঃ
সুমন শইকীয়া
সহকাৰী সাধাৰণ সম্পাদকঃ
প্ৰতীমা বৰা
উপ-সভাপতি ঃ
চাজিদুৰ ৰহমান
সাহিত্য আৰু তৰ্ক সম্পাদিকা ঃ
চাজিদা বেগম
সাংস্কৃতিক সম্পাদিকা ঃ
ৰিংকী গগৈ
ক্ৰীড়া সম্পাদক
ৰবি তাঁতী

সমাজসেৱা সম্পাদকঃ
মৃদুস্মিতা গগৈ
ছাত্ৰী জিৰণী কোঠাৰ সম্পাদিকা ঃ
ৰ'দালি তিমুংপী
ছাত্ৰ জিৰণি কোঠা সম্পাদক ঃ
কৌশিক দাস




## মৃণালিনী হাজৰিকা

### অধ্যক্ষ (ভাৰপ্ৰাপ্ত) মৰঙি মহাবিদ্যালয়(কনিষ্ঠ)

সৰ্বপ্ৰথম মই মৰঙি মহাবিদ্যালয় (কণিষ্ঠ) ৰ সকলো প্ৰবক্তা, ছাত্ৰ একতা সভা (২০১৯-২০) বৰ্ষৰ বিষয়ববীয়াসকল আৰু যিসকল ছাত্ৰ-ছাত্ৰীয়ে 'মৰঙি দৰ্পণ', পোনপ্ৰথমবাৰৰ বাবে প্ৰকাশিত হ'বলৈ যোৱা ই-মুখপত্ৰখনিত লিখনি আগবঢ়ালে, সকলোকে আন্তৰিকতাৰে কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

অধ্যক্ষৰ কাৰ্যভাৰ লোৱাৰ পিছত কৰ্ম ব্যস্ততাৰ মাজতে মহাবিদ্যালয়ৰ এখনি মুখপত্ৰ ই-মাধ্যমতে সাম্প্ৰতিক পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি প্ৰকাশ কৰাৰ মানস কৰিলোঁ। আমাৰ এই মানসক ছাত্ৰ একতা সভাৰ টিংকু শইকীয়া আৰু চাজিদা বেগমে সহাঁৰি জনালে। এইক্ষেত্ৰত প্ৰবক্তাসকলৰ সহাঁৰি পালোঁ।

সকলোৰে চেষ্টাৰ ফলশ্ৰুতিত 'মৰঙি দৰ্পণ' প্ৰকাশে অনুষ্ঠানটিৰ পূৰ্ণতা প্ৰাপ্তিত সহায় কৰিব। লগতে ছাত্ৰ-ছাত্ৰীসকলৰ বৌদ্ধিক দিশটো প্ৰতিফলন হ'ব।

এই আপাহতে মই মুখপত্ৰখনিৰ প্ৰকাশৰ দায়িত্বত থকা বিকাশ হাজৰিকা আৰু ৰত্নেশ্বৰ মৰাং প্ৰবক্তাদ্বয়ক ধন্যবাদ বিশেষভাৱে জনালোঁ।

'মৰঙি দৰ্পণ' দীৰ্ঘায়ু হওক।

জয়তু মৰঙি মহাবিদ্যালয় (কনিষ্ঠ)।

**মৃণালিনী হাজৰিকা**
অধ্যক্ষ (ভাৰপ্ৰাপ্ত)
মৰঙি মহাবিদ্যালয়(কনিষ্ঠ)

# শুভেচ্ছাবাণী




মৰঙি মহাবিদ্যালয় (কণিষ্ঠ) ৰ ছাত্ৰ একতা সভা, অধ্যক্ষ আৰু প্ৰবক্তাসকলৰ প্ৰচেষ্টাত 'মৰঙি দৰ্পণ' নামৰ মুখপত্ৰ এখনি ই- মাধ্যমৰ জৰিয়তে প্ৰকাশ কৰিবলৈ লোৱা প্ৰচেষ্টাক প্ৰশংসা কৰিছোঁ। ছাত্ৰ-ছাত্ৰীৰ বৌদ্ধিক প্ৰতিফলন আৰু ভাষা সাহিত্যানুৰাগী মন প্ৰকাশ হ'ব বুলি আশা কৰিলোঁ। লগতে শিক্ষানুষ্ঠানটিৰ সকলো দিশতে উজ্জ্বল ভৱিষ্যত কামনা কৰিলোঁ।

'মৰঙি দৰ্পণ' ৰ দীৰ্ঘায়ু কামনাৰে-

**শ্ৰী তপন চন্দ্ৰ বৰদলৈ**
প্ৰতিষ্ঠাপক অধ্যক্ষ

# শুভেচ্ছাবাণী



## গোলাপ চন্দ্ৰ শইকীয়া,

**সভাপতি**

বিদ্যালয় পৰিচালনা আৰু উন্নয়ন সমিতি, মৰঙি মহাবিদ্যালয় (কনিষ্ঠ)

গোলাঘাট জিলাৰ মৰঙি মৌজাৰ মৰঙি মহাবিদ্যালয় (কনিষ্ঠ)ৰ তৰফৰ পৰা ‘মৰঙি দৰ্পণ’ নামৰ এখনি আলোচনী প্ৰকাশ কৰিবলৈ আয়োজন কৰা বুলি শুনি অতিশয় আনন্দিত হৈছোঁ। সমগ্ৰ পৃথিৱীকে চানি ধৰা ক’ৰনা মহামাৰীৰ দুৰ্বিসহ যান্ত্ৰণাৰ মাজত আজি জনসাধাৰণৰ চিন্তা চেতনাত নিশ্চয় পৰিবৰ্তন ঘটিছে। ইয়াৰ সুদূৰ প্ৰসাৰী প্ৰভাৱ আমাৰ শিক্ষক আৰু ছাত্ৰ-ছাত্ৰীৰ মাজতো নপৰাকৈ থকা নাই। গতিকে এনে এটি সন্ধিক্ষণৰ মাজতেই ‘মৰঙি মহাবিদ্যালয় (কনিষ্ঠ) বাৰ্ষিক আলোচনীখনে নিৰাশাৰ মৰুভূমিৰ মাজত আশাৰ মৰুদ্যান হৈ জিলিকি থাকিব দৰ্পণত। আমি নিজৰ মুখমণ্ডল দেখিবলৈ পোৱাৰ দৰে আলোচনীখনত প্ৰকাশ পাবলগীয়া লিখনি সমূহৰ মাজত দেখিবলৈ পাম সমগ্ৰ মৰঙি মৌজাৰ লগতে আমাৰ ৰাজ্যখনৰ জনসাধাৰণৰ আশা, আকাংক্ষা, আৱেগ, অনুভূতি আৰু বহুতো। মই পৰমেশ্বৰৰ ওচৰত প্ৰাৰ্থনা জনাইছোঁ অনতিপলমে প্ৰকাশ পাবলগীয়া আলোচনীখন সৰ্বাঙ্গ সুন্দৰ আৰু উৎকৃষ্ট মানদণ্ডৰ হওক।

জয়তু মৰঙি মহাবিদ্যালয় (কনিষ্ঠ)।

# সাহিত্য বিভাগৰ সম্পাদকৰ একলম

সকলোৰে নমস্কাৰ গ্ৰহণ কৰিব। ১৯৯০ চনৰ পৰা বিগত ৩১ টা বছৰ সকলোৰে সন্মানীয় শ্ৰীযুত তপনচন্দ্ৰ বৰদলৈদেৱৰ নেতৃত্বত তথা পৃষ্ঠপোষকতাত কৃতিত্ব আৰু গৌৰবোজ্বলেৰে মৰঙি মহাবিদ্যালয়ৰ(কনিষ্ঠ) সফলতাৰে অতিক্ৰমি। পোনতেই মৰঙি মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক অধ্যক্ষ শ্ৰদ্ধাৰ শ্ৰীযুত তপনচন্দ্ৰ ডাঙৰীয়ালৈ আন্তৰিক শ্ৰদ্ধা, সম্ভাষণ আৰু সন্মান নিবেদিছোঁ লগতে সকলোকে মান্যনুসাৰে মৰম, শ্ৰদ্ধা, ভক্তিৰে প্ৰণিপাত জনাইছোঁ।

সাহিত্য সমাজৰ দাপোনস্বৰূপ য'ত স্পষ্ট ৰূপত প্ৰতিফলিত সমাজ এখনৰ ধ্যান-ধাৰণা, আদৰ্শ, আৱেগ-অনুভূতি, বিদ্ৰোহ, আকাংক্ষা আদিৰে সমাদৃত বিভিন্ন ভাৱাদৰ্শ। এটা জাতিক উন্নতিৰ জখলাত বগোৱাত সহায় কৰা কিম্বা জাতিটোৰ স্বাভিমানী ভাষা-সংস্কৃতিক সমস্তৰ আগত সু-শৃংখলিত ৰূপত দাঙি ধৰাত সাহিত্যৰ ভূমিকা অপৰিসীম। তাহানিৰ মৌখিক সাহিত্যৰ পৰা আৰম্ভ কৰি আজিৰ সাহিত্যলৈকে অসমীয়া ভাষা-সাহিত্যৰ পৰা আৰম্ভ কৰি আজিৰ সাহিত্যলৈকে অসমীয়া ভাষা-সাহিত্যই এক দীঘলীয়া পৰিক্ৰমা অতিক্ৰম কৰিছে। সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাই কৈছিল - "স্বদেশ আৰু স্বজাতিৰ উন্নতিৰ মংগল মন্দিৰৰ সিংহদুৱাৰ হৈছে মাতৃভাষা"। সাহিত্যৰ পথাৰখনত মাতৃভাষাৰ বীজেৰে প্ৰস্ফুৰিত হোৱা ভাষা-সাহিত্যৰ ফচল সমূহে অদূৰ ভৱিষ্যতলৈকে এই জয়যাত্ৰা অব্যাহত ৰাখিব তাত কোনো সন্দেহৰ অৱকাশ নাই।

ভাষা-সাহিত্যৰ উন্নতি, প্ৰসাৰ তথা সংবৰ্দ্ধনত আলোচনা সমূহে এক গুৰু দায়িত্ব বহন কৰি আহিছে। তাহানিৰ প্ৰথম অসমীয়া আলোচনী অৰুণোদয়ে আৰম্ভ কৰা ধাৰাটোৰ বাটে আলোচনী সমূহে ভাষা-সাহিত্যলৈ যি অৱদান আগবঢ়ালে সেয়া সৰ্বজনবিদিত আৰু আজিকোপতি সেই বাটেৰেই বিভিন্ন আলোচনীৰ মাধ্যমেৰে অসমীয়া ভাষা-সাহিত্য শক্তিশালী আৰু টনকিয়াল হৈ আহিছে।

যুগ পৰিৱৰ্তনশীল, আধুনিক সমাজ ব্যৱস্থাই আমাক প্ৰদান কৰা অন্যতম উপহাৰটো হ'ল ব্যস্ততা। সম্প্ৰতি আমি এখন সদাব্যস্ত পৃথিৱীৰ বাসিন্দা। আমাৰ গগণচুম্বী আশা-আকাংক্ষা সমূহক সাৰ-পানী যোগাই জীপাল কৰিবলৈ বহু পত্যাশাৰ মাজেৰে সদায় আমি নিজক ব্যস্ত ৰাখোঁ। তাৰোপৰি তথ্য-প্ৰযুক্তিৰ উন্নতিয়ে বিশ্বায়ন প্ৰক্ৰিয়াক অধিক ত্বৰান্বিত কৰি তুলিছে। ইন্টাৰনেটৰ সহায়ত সমগ্ৰ পৃথিৱীখন এখন গোলকীয় গাঁৱলৈ পৰিৱৰ্তন হৈছে। সাহিত্যৰ জগতখনো তাৰ প্ৰভাৱমুক্ত হোৱা নাই। সাম্প্ৰতিক সময়ত ক'ভিড-১৯ ৰ ভয়াৱহতাৰ প্ৰতি লক্ষ্য ৰাখি তথ্য-প্ৰযুক্তিৰ মাধ্যম সমূহৰ প্ৰাসংগিকতা সকলোৰে স্বীকাৰ কৰিব। তদুপৰি সকলোৰে এই সময়ছোৱাত অফুৰন্ত সময় লাভ কৰিছে। গতিকে দু-সময়ৰ হাতুৱাত বন্দি নহৈ সময়ৰ সদ্-ব্যৱহাৰবোৰে ছাত্ৰ-ছাত্ৰীসকলৰ অন্তৰ্নিহিত প্ৰতিভা বিকাশৰ উপযুক্ত মাপকাঠি যোগান ধৰাৰ প্ৰয়োজন। তাৰেই লক্ষ্যৰে মৰঙি মহাবিদ্যালয়(কনিষ্ঠ)ৰ ছাত্ৰ একতা সভাই সময়ৰ উপযোগিতাক স্বীকাৰ কৰি ছাত্ৰ-ছাত্ৰীসকলৰ সুপ্ত-প্ৰতিভাক বিকাশৰ বাবে এক মাধ্যম প্ৰদান কৰাৰ লক্ষ্যৰে মৰঙি মহাবিদ্যালয় (কনিষ্ঠ)ৰ মুখপত্ৰ 'মৰঙি দৰ্পণ' ই-মাধ্যমেৰে প্ৰকাশৰ ব্যৱস্থা কৰিছে। তথ্য-প্ৰযুক্তিৰ জৰিয়তে 'মৰঙি দৰ্পণ' প্ৰকাশৰ যি আশাশুধীয়া প্ৰচেষ্টা, নিশ্চয়কৈ এই প্ৰচেষ্টা ছাত্ৰ-ছাত্ৰীসকলৰ অন্তৰ্নিহিত প্ৰতিভাৰ আত্মপ্ৰকাশৰ সঠিক মাধ্যমৰূপে পৰিগণিত হ'ব। ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰতিভাৰ আত্মপ্ৰকাশৰ সৰ্বোৎকৃষ্ট মাধ্যমস্বৰূপ বিশেষত্ব 'মৰঙি দৰ্পণ' ত সম্বলিত নানান সাহিত্য সম্ভাৰে নিঃসন্দেহে ছাত্ৰ-ছাত্ৰীসকলৰ মানসিক পৰিধিক ব্যাপক কৰি তুলিব। সাহিত্যৰ মৌকুঁহ বিচাৰি ফুৰা পঢ়োৱৈ সমাজৰ পক্ষেও 'মৰঙি দৰ্পণ'ৰ পাতে পাতে সম্বলিত বিভিন্ন শিতানসমূহ উপভোগ কৰি উপকৃত হ'ব পাৰিব বুলি আশা কৰা হৈছে। নব্য আকৰ গঢ় দিয়াত বিভিন্ন ভাৱাদৰ্শৰ ছাত্ৰ-ছাত্ৰীসকলৰ লেখাসমূহে ইন্ধন যোগাব।

সদৌ শেষত মুখপত্ৰ 'মৰঙি দৰ্পণ'ৰ প্ৰকাশৰ নেপথ্যত জড়িত সকলোকে অশেষ ধন্যবাদ জনাইছোঁ। তেখেতসকলৰ ওচৰত আমি চিৰদিন চিৰকৃতজ্ঞ হৈ ৰ'ম।


'মৰঙি দৰ্পণ' প্ৰস্তুতৰ সময়ত কাৰিকৰী দিশত অজানিতে বৈ যোৱা ভুল-ভ্ৰান্তিসমূহৰ বাবে আমি সম্পাদকদ্বয়ে ক্ষমা-প্ৰাৰ্থনা বিচাৰিছোঁ লগতে গঠনমূলক পৰামৰ্শ বিচাৰিছোঁ। 'মৰঙি দৰ্পণ'ৰ প্ৰকাশৰ লগত জড়িত কৰিবলৈ পাই নিজকে ধন্য মানিছোঁ। শেষত মৰঙি মহাবিদ্যালয়(কনিষ্ঠ) আৰু মুখপত্ৰ 'মৰঙি দৰ্পণ'ৰ উত্তৰ উত্তৰ কামনাৰে—

জয়তু মৰঙি মহাবিদ্যালয়(কনিষ্ঠ)

**চাজিদা বেগম**
**টিংকু শইকীয়া**
(যুটীয়া সম্পাদক, আলোচনী বিভাগ)

# COVID-19 বিপৰ্যয় আৰু সম্ভাৱনা

**প্ৰাঞ্জল শইকীয়া**
প্ৰৱক্তা, অৰ্থনীতি বিভাগ



কৌতুহলোদ্দীপক ভাবে মানৱ ইতিহাসত প্ৰায় ১০০ বছৰৰ মূৰে মূৰে বিভিন্ন নামেৰে বিভিন্ন মহামাৰীয়ে দেখা দি মানৱ সমাজক প্ৰত্যাহ্বান জনাই আহিছে। ১৭২০ চনৰ প্লেগ (Plage or Black Death), ১৮১৭ চনৰ কলেৰা (Cholera), ১৯১৮ চনৰ স্পেনিছ ফ্লু (Spanish Flu or 1918 Flu Pandemic) আৰু শেহতীয়া ২০১৯ চনৰ ক'ভিড-১৯ (Covid-19) ইয়াৰ প্ৰধান উদাহৰণ। এই মহামাৰীসমূহে মানৱ সমাজৰ সামাজিক, অৰ্থনৈতিক আৰু বহুক্ষেত্ৰত ৰাজনৈতিক পৰিকাঠামোৰ বিস্তৰ পৰিৱৰ্ত্তন ঘটাই আহিছে।

সাম্প্ৰতিক সময়ত বিশ্বত সৰ্বাত্মক প্ৰভাৱ পেলোৱা ক'ভিড-১৯ ৰ সন্দৰ্ভত আমি যোগাত্মক আৰু বিয়োগাত্মক এই দুয়োটা দৃষ্টিভংগীৰে পৰ্য্যালোচনা আগবঢ়াব পাৰো। স্বাভাৱিকভাৱেই সমগ্ৰ মানৱ সমাজৰ স্বাভাৱিক গতি স্তব্ধ কৰি তোলা এই Covid-19 ৰ নেতিবাচক প্ৰবাৱেই বেছি। বিশ্বৰ আন আন দেশৰ লগতে ভাৰতবৰ্ষৰ দৰে জনবহুল আৰু উন্নয়নশীল দেশৰো অৰ্থনৈতিক ভেটি প্ৰায় বিধ্বস্ত হৈ পৰিছে। সমাজ জীৱন বেয়াকৈ ক্ষতিগ্ৰস্ত হৈছে, শিক্ষা খণ্ডটো প্ৰায় অচল হৈ পৰিছে। সমাজৰ নিম্ন আয়ৰ লোকসকলৰ অৱস্থা ক্ৰমে অধীক বেয়াৰে দিশে গতি কৰিছে। সমাজত অৰ্থনৈতিক বৈষম্যতা প্ৰকট হৈ পৰিছে। সমাজত সহিষ্ণুতা হ্ৰাস পাইছে, অপৰাধ প্ৰৱণতা বাঢ়িছে। চৰকাৰৰ আয়ৰ বিপৰীতে ব্যয়ৰ পৰিমাণ (বিশেষকৈ স্বাস্থ্য খণ্ডত) বঢ়াৰ ফলত স্বাভাৱিক উন্নয়নৰ ধাৰাত বাধাৰ সৃষ্টি হৈছে। মুঠতে চাৰিওফালে এক হতাশাৰ পশ্চাদমুখী পৰিৱেশে আগুৰি ধৰা পৰিলক্ষিত হৈছে।

এনে ধৰণৰ হাজাৰটা নেতিবাচক প্ৰভাৱৰ সত্বেও এই বিশ্বত্ৰাস মহামাৰী Covid-19 ৰ কিছু ইতিবাচক প্ৰভাবো বিশ্বৰ বুকুত সকলোৰে অগোচৰে ইতিমধ্যে খোদিত হৈছে। এই ধনাত্মক বা সমাজৰ বাবে আদৰণীয় প্ৰভাৱবোৰক আমি প্ৰধানকৈ দুটা, (হ্ৰস্বকালীন বা তাৎক্ষণিক প্ৰভাৱ আৰু দীৰ্ঘকালীন বা স্থায়ী প্ৰভাৱ)- ভাগত আলোচনা কৰিব পাৰো।

হ্ৰস্বকালত সংঘটিত হোৱা ইতিবাচক প্ৰবাৱবোৰ এনেধৰণৰ-

(১) জৰুৰীকালীন সময়ত সাধাৰণ নাগৰিকে স্বাভাৱিক আৰু মহামাৰীসৃষ্ট অস্বাভাৱিক পৰিস্থিতিৰ লগত নিজকে খাপ খুৱাবলৈ শিকিলে। অস্বস্তিকৰ সামাজিক দূৰত্বৰ প্ৰয়োজনীয়তা উপলব্ধি কৰিলে আৰু চৰকাৰী অতিমাৰী পৰিচালনা নীতিৰ লগত পৰিচয় ঘটাৰ সুযোগ লাভ কৰিলে।

(২) প্ৰায় সকলো শ্ৰেণীৰ লোকৰে জীৱনধাৰণৰ মাণদণ্ড প্ৰায় সমপৰ্য্যায় হৈ পৰিল। ফলত সকলোৱেই সকলোৰে লগত মত-বিনিময় কৰাৰ সুযোগ পালে, পৰস্পৰ যত্ন লোৱাৰ আহৰি পালে (বিশেষকৈ বয়োজ্যেষ্ঠ সকলক)।

(৩) ঘৰুৱা তথা পৰম্পৰাগত খাদ্যৰ প্ৰতি আকৰ্ষিত হ'ল। ই ব্যক্তিৰ স্বাস্থ্যৰ ওপৰতো ইতিবাচক প্ৰভাৱ পেলোৱা পৰিলক্ষিত হ'ল।

(৪) সম্পদৰ অপ্ৰয়োজনীয় ব্যৱহাৰ হ্ৰাস পালে। ই বহনযোগ্য উন্নয়নৰ ক্ষেত্ৰত সহায়ক হিচাপে দেখা দিব।

(৫) ঘৰুৱা খণ্ডত প্লাষ্টিকৰ ব্যৱহাৰৰ হ্ৰাসৰ ফলত দেশৰ লগতে সমগ্ৰ বিশ্বৰে পাৰিপাৰ্শ্বিক পৰিস্থিতিৰ উন্নতি ঘটিল। ইয়াৰোপৰিও গাড়ী-মটৰ আৰু উদ্যোগ আদি বন্ধ হোৱাৰ ফলত বায়ু, পানী আৰু শব্দ প্ৰদূষণৰ মাত্ৰা উল্লেখনীয় ভাৱে হ্ৰাস পালে। ফলত জলবায়ুৰো ইতিবাচক পৰিৱৰ্ত্তন ধৰা পৰিছে বুলি এক গৱেষণ/ অধ্যয়নত প্ৰকাশ পাইছে।

(৬) চৰকাৰসমূহে অতিমাৰী পৰিচালনাৰ বাবে নতুন ফলপ্ৰসূ পদ্ধতি প্ৰণয়ণ তথা প্ৰয়োগ কৰিবলৈ বাধ্য হৈছে। বহুদেশে আভ্যন্তৰীণ নীতিৰ সংশোধন কৰিছে। উদাহৰণ স্বৰূপে আমাৰ কাষৰীয়া দেশ শ্ৰীলংকাই পৰম্পৰাগত ঔষধৰ ওপৰত গৱেষণাত গুৰুত্ব দিছে।

(৭) মগজুৰ বহিগমনত বাধা আহিছে। ফলত দেশৰ মানৱ সম্পদে

দেশৰ স্বাৰ্থত কাম কৰিছে। বহিঃৰাজ্য বা ৰাষ্ট্ৰৰ লোক সকল স্বদেশলৈ পুনৰ্বৰ্গমন কৰিছে। ফলত শ্ৰমৰ বজাৰত শ্ৰমিকৰ যোগান বাঢ়িছে। উৎপাদনত যোগাত্মক প্ৰভাৱ পৰিছে।

(৮) সমাজৰ সক্ষম শ্ৰেণীৰ মাজত জনহিতৈষী চিন্তাৰ বীজ অংকুৰিত হ'বলৈ উপযুক্ত পৰিবেশ পাইছে। লগে লগে সমাজৰ জৰুৰী সেৱাত নিয়োজিত কৰ্মচাৰীসকল (যেনে- স্বাস্থ্যকৰ্মী, আৰক্ষীকৰ্মী, সশস্ত্ৰবল, সমাজকৰ্মী আদি) ৰ প্ৰতি সাধাৰণ জনতাৰ মনোভাৱ উচ্চ হোৱা পৰিলক্ষিত হৈছে।

(৯) অশান্তিৰ পৰিৱেশ হ্ৰাস হোৱাৰ বাবে প্ৰতিৰক্ষা ব্যয় যথেষ্ট কমিছে। আন্তঃৰাষ্ট্ৰীয় সন্ত্ৰাসবাদী কাম-কাজৰ তীব্ৰতাও যথেষ্ট হ্ৰাস পাইছে। ইত্যাদি।

ইয়াৰোপৰিও Covid-19 ৰ কিছুমান দীৰ্ঘকালীন ইতিবাচক প্ৰভাৱো আমাৰ দৃষ্টিগোচৰ হৈছে। সেইবাবে এনেধৰণৰ (১) পৰিয়াল তথা সমাজখন একত্ৰীকৰণ (মানসিক ভাৱে) হ'ল আৰু সমাজত এক উচ্চস্তৰীয় সামাজিক বান্ধোন প্ৰতিস্থা হ'ল। (২) দেশীয় চৰকাৰসমূহ বা আঞ্চলিক পৰ্য্যায়ৰ আন্তঃদেশীয় সংগঠনসমূহেও ভৱিষ্যতে এনে অতিমাৰীৰ সৈতে মোকাবিলা হ'ব পৰাকৈ নিজকে সক্ষম কৰাৰ সুযোগ পালে। উদাহৰণ স্বৰূপে SAARC দেশসমূহে ভৱিষ্যতে এনে জৰুৰীকালীন সময়ত সহায়ক হ'ব পৰাকৈ এক পুঁজি গঠন কৰিছে। ইয়াত ভাৰতৰ অৱদান হৈছে ১০ মিলিয়ন US Doller।

(৩) প্ৰায় প্ৰতিখন দেশৰে আভ্যন্তৰীণ চিকিৎসা ব্যৱস্থা এক বহনযোগ্য স্তৰলৈ উন্নিতকৰণ কৰা হ'ল।

(৪) আন্তঃৰাষ্ট্ৰীয় প্ৰেক্ষাপটত আমেৰিকাৰ আধিপত্য হ্ৰাস হোৱাৰ বিপৰীতে চীনৰ উত্থান দেখা গ'ল। আমেৰিকাই চীনৰ ওপৰত আৰোপ কৰা অৰ্থনৈতিক নিষেধাজ্ঞাৰ ফলস্বৰূপে চীনত কৰিব লগীয়া কেইবাটাও বিনিয়োগ আমেৰিকাই প্ৰত্যাহাৰ কৰাৰ পৰিপ্ৰেক্ষিটত সেইবোৰ বিনিয়োগ ভাৰতত হোৱাৰ সম্ভাৱনা ক্ৰমে উজ্জ্বল হৈ উঠিছে। সেইদৰেই ভাৰতকে ধৰি বিভিন্ন উন্নয়নশীল দেশৰ আধিপত্যবাদ ক্ৰমে সম্প্ৰসাৰিত হৈছে।

(৫) Covid-19 এ প্ৰত্যক্ষ ভাৱে ক্ষতি কৰা ক্ষেত্ৰ সমূহ, বিশেষকৈ স্বাস্থ্য, পাৰিপাৰ্শ্বিক, উদ্যোগ আৰু সামাজিক-সাংস্কৃতিক ক্ষেত্ৰসমূহত বহুটো নিত্য-নতুন আৱিস্কাৰ হোৱাৰ পৰিপ্ৰেক্ষিটত, এই দেশ সমূহৰ মাজত ভৱিষ্যতে এক সুদুৰ প্ৰসাৰী যোগাযোগ ব্যৱস্থাৰ সৃষ্টিৰ সম্ভাৱনা প্ৰকট হৈছে।

(৬) আমদানীকৃত বিদেশী সামগ্ৰীৰ পৰিৱৰ্ত্তে স্থানীয় প্ৰতিস্থানৰ উৎপাদন তথা পৰম্পৰাগত সেৱা সমূহৰ প্ৰচলন বৃদ্ধি পালে। ফলত ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগ তথা হস্তনিৰ্মিত উদ্যোগৰ চাহিদা বৃদ্ধি পালে। স্থানীয় ব্যৱসায় প্ৰতিস্থানৰ ওপৰত আস্থা বাঢ়িল। ফলত আঞ্চলিক ক্ষেত্ৰত ওচৰ চুবুৰীয়া দেশ সমূহৰ মাজত ভৱিষ্যতৰ বাণিজ্য সম্প্ৰসাৰণৰ সম্ভাৱনা বৃদ্ধি পালে।

(৭) Covid-19 ৰ ওপৰত হোৱা অধিক গৱেষণাৰ ফলত আৱিস্কাৰ হোৱা Vaccine আৰু আন প্ৰতিকাৰমূলক ঔষধ ভৱিষ্যতে ৰোগৰ লগত যুঁজাত সহায়ক হ'ব।

গতিকে এনেধৰণৰ যোগাত্মক দৃষ্টিভংগীৰ পৰ্য্যালোচনা কৰিলে দেখা যায় যে Covid-19 নামৰ এই মহামাৰীৰ বিপৰ্য্যয়ে মানৱ সমাজক আৰ্য-সামাজিক দিশত জুৰুলা কৰিলেও অতি কম সময়ৰ ভিতৰতে এই ক্ষতি পুৰণ কৰি মানুহে এক নতুন যুগত প্ৰৱেশ কৰিব, য'ত নাথাকিব বহুটো অনাৱশ্যকীয় বিলাসিতা, অনাৱশ্যকীয় সামাজিক ৰীতি-নীতি তথা জীৱন ধাৰণৰ পৰম্পৰাগত দৃষ্টিভংগী। Covid-19 এ আনি দিয়া সুযোগসমূহ সঠিক ভাৱে বিছাৰ কৰি পৰিকল্পিত কাৰ্য্যসূচীৰে আগবাঢ়িলে ভাৰত অচিৰেই দক্ষিণ পূব এচিয়াৰ এক অন্যতম শক্তিধৰ দেশলৈ পৰিৱৰ্ত্তন হ'ব পাৰিব।

উৎস ঃ ১। বাতৰি কাকত
২। ইণ্টাৰনেট



ভ্ৰমণ অভিজ্ঞতা

# শ্ৰীশ্ৰী মাধৱদেৱৰ দ্বাৰা প্ৰতিষ্ঠিত সকলোৰে প্ৰত্যাশিত বৰপেটা সত্ৰ

টিংকু শইকীয়া
দ্বিতীয় বৰ্ষ



দুই বছৰৰ আগত অৰ্থাৎ ২০১৯ বৰ্ষত আমাৰ মহাবিদ্যালয় ফালৰ পৰা প্ৰস্তুত কৰা জ্ঞানসূচীত মাধৱদেৱৰ দ্বাৰা প্ৰতিষ্ঠিত সত্ৰ বৰপেটালৈ মোৰ যোৱাৰ সৌভাগ্য হৈছিল। সেই বৰ্ণিল যাত্ৰাটো সাক্ষী হ'ব পাৰিছিল সেই সময়ৰ প্ৰথম বৰ্ষৰ কেইজনমান ছাত্ৰ-ছাত্ৰী।তাৰে ভিতৰত ময়ো এজন আছিলোঁ। দ্বিতীয় বৰ্ষৰ পৰা সেই সময়ৰ সাধাৰণ সম্পাদকে (ছাত্ৰ একতা সভাৰ ) প্ৰমুখ্য কৰি মুঠ ত্ৰিশ জনমান ছাত্ৰ -ছাত্ৰী আছিল। যাত্ৰাটোত অভিভাৱক বহন কৰিছিল সেই সময়ৰ মৰঙি মহাবিদ্যালয়ৰ অধ্যক্ষ তপন চন্দ্ৰ বৰদলৈ মহোদয়ে। লগত আছিল প্ৰমোদ ছাৰ আৰু মৃণালিনী হাজৰিকা বাইদেউ তথা মোৰ প্ৰিয় বাইদেউ গৰাকী বৰ্ত্তমানৰ মহাবিদ্যালয় অধ্যক্ষা।

দিনটো আছিল ২০১৯ বৰ্ষৰ ২৫ অক্টোবৰ, কাতিমাহ ৭ তাৰিখে। সময় প্ৰায় নিশাৰ আঠমান বাজিছিল। দিনজোৰা প্ৰস্তুতিৰ অন্তত মোৰ মা-দেউতাৰ লগত পাতকতীয়া আলিমূৰলৈ ওলাই গৈছিলো। প্ৰায় নিশাৰ ৯.৩০ মান বজাত আমাক বৰপেটালৈ লৈ যাবলগীয়া ষ্টাৰ বাছখনৰ হৰ্ণৰ মাত শুনিলো। মনটো উৎফুল্লিত হৈ পৰিল। গাড়ীত উঠাৰ সময়ছোৱাত মোৰ দেউতাই মোৰ সমস্তখিনি দায়িত্ব মৃণালিণী বাইদেউক দি কৈছিল, 'বাইদেউ ইয়াক চাব'। ছাৰ অৰ্থাৎ অধ্যক্ষ, তপন বৰদলৈ ছাৰে একেসময়তে মোক আদৰণিসূচক সম্বোধন কৰিছিল, "টিংকু আহিলি"। বাছখনত মোৰ স্থান আছিল বাছখনৰ শেষৰ ফালৰ পৰা দুইনম্বৰ ছিটটোত। বাছখনত দৈগ্ৰোংস্থিত তেল ডিপুটোত উপযুক্ত তেলখিনি ভৰোৱা হ'ল। তাৰ পৰা তেল গৰমৰলৈকে এজন এজনকৈ সকলো যাত্ৰী উঠিল আৰু তাৰ পাছত আমাৰ যাত্ৰা আৰম্ভ হ'ল। বাছৰ শেষৰজন যাত্ৰী আছিল শ্ৰদ্ধাৰ আমাৰ ছাৰ। বোকাখাত, ৰজাবাৰীস্থিত ছাৰৰ নিজা বাসগৃহৰ সন্মুখৰ পৰা ছাৰ বাছখনত উঠিল। বাছখনত আকৌ বোকাখাত টাউনত ৰখোৱা হ'ল। কাৰণ আমাৰ মৰাং ছাৰে বৰপেটামুখী যাত্ৰীৰ দলটোক সাক্ষাৎতৰ বাবে ৰৈ আছিল। ছাৰে দলটোৰ বাৱে বোকাখাতৰ পেৰা কিনিছিলে আৰু শুভেচ্ছা প্ৰদান কৰিলে। আমিও ছাৰৰ শুভেচ্ছা গ্ৰহণ কৰি পুণৰ বৰপেটা অভিমুখে যাত্ৰা আৰম্ভ কৰিলো। পুনৰ জখলাবন্ধাৰ এখন হোটেলৰ সমুখত বাছখন ৰখোৱা হ'ল। আমি সকলোৱে তাত ফ্ৰেচ হৈল'লো। প্ৰায় আধা ঘণ্টামানৰ পাছত আমাৰ যাত্ৰা পুণৰ আৰম্ভ হ'ল। যাত্ৰাৰ সময়ছোৱাত গোটেই নিশাটো বাজি আছিল উচ্চ ধ্বনিযুক্ত সংগীত। কিছুসকলৰ বাবে ই আছিল আমোদদায়ক কিন্তু আন কিছুসকলৰ বাবে ই আছিল অতি বিৰক্তিদায়ক।সেইদিনা হয়তো বৰুণ দেৱতাবাৰুকৈয়ে ৰুষ্ট আছিল। যাৰ বাবে গোটেই নিশাৰ যাত্ৰাটো আমি পাৰকৰিবলগীয়া হৈছিল বৰষুণৰ মাজেৰে। ভয়-শংকাৰ মাজত দুদুল্যমান স্থিতিত থকা সকলোৱে সেইসময়ত এটাই কামনাৰে ভালে-কুশলে গন্তব্য স্থান পোৱা। কাজিৰঙা, জখলাবন্ধা, জগীৰোড, যোৰাবাট, শৰাইঘাট পাৰ হৈ অৰ্থাৎ চাৰিওখনকৈ জিলা ক্ৰমে গোলাঘাট, কাৰ্বি-আংলং, নগাঁও, কামৰূপ পাৰ হৈ অৱশেষত আমি প্ৰৱেশ কৰিলো বৰপেটা জিলাত। সেই বৰপেটা জিলাতে ২১ পৃষ্ঠাত চাওক

আছিল শ্ৰীশ্ৰী মাধৱদেৱৰ দ্বাৰা প্ৰতিষ্ঠিত সকলোৱে প্ৰত্যাশিত বৰপেটা সত্ৰ।

২৫ অক্টোবৰ প্ৰায় পুৱতি নিশাৰ ৪ মান বাজিছিল আৰু তেতিয়াই আমি খোজ পেলাইছিলো ঐতিহ্যমণ্ডিত বৰপেটা সত্ৰত। সৰুৰে পৰা বিভিন্ন কিতাপত পঢ়িছিলো, বিভিন্নজনৰ মুখেৰে শুনিছিলো বৰপেটা সত্ৰৰ কথা। শুনাত সাধুকথাযেন লগা মহিমামণ্ডিত বৰপেটা সত্ৰক বাস্তৱ জীৱনত প্ৰত্যক্ষভাৱে দৰ্শনৰ সৌভাগ্য লভিছিল সেই ২০১৯ বৰ্ষৰ, ২৫ অক্টোবৰৰ নিৰিবিলি কোমল পুৱাত। কঁাচিয়লি ৰ'দৰ পোহৰতেই আমি ভৰি দিছিলো বৰপেটা সত্ৰৰ প্ৰৱেশদ্বাৰত।

বৰপেটা সত্ৰৰ সহ পৰিচালনা সমিতিৰ দুজন লোকে আমাৰ অধ্যক্ষ ছাৰক ফোন নম্বৰ প্ৰদান কৰিলে। আৰু নিশ্চিত কৰিলে আমাৰ মহাবিদ্যালয়ৰ যাত্ৰীৰ দলটোৰ কথা। জানু ৫-৩০ মান বজাত আমি সকলোৱে মুখ-হাত ধুই, ব্ৰাছ কৰি ক্ষন্তেকপৰ জিৰণি ল'লো। কেইটামান ক্ষণৰ পাছত আমাৰ কাণত গুঞ্জৰিত হৈ পৰিল বৰপেটা সত্ৰৰ নাম-কীৰ্ত্তন। আমি সকলোৱে সত্ৰ পৰিদৰ্শনৰ বাবে নিজকে পবিত্ৰ কৰি আধ্যাত্মিক সাজ-পাৰ পৰিধান কৰি সাজু হ'লো। আৰু সকলো যেতিয়া সাজু হৈ উঠিল আমি সকলো সত্ৰ পৰিদৰ্শনৰ বাবে ওলালোঁ। সেই সময়ছোৱাত মই আমাৰ ছাৰ-বাইদেউক সংগ দিলো। সত্ৰৰ এগৰাকী বিশিষ্ট ব্যক্তিয়ে আমাক এফালৰ পৰা সত্ৰৰ মূল মূল স্থলীসমূহ দেখুৱাই নিলে লগতে সত্ৰৰ অংশবিশেষ স্থলীসমূহৰ ঐতিহ্য, প্ৰাচীন জ্ঞান-গৰিমাৰ বিষয়ে আমাক বুজাই গ'ল। সত্ৰখনৰ কীৰ্ত্তন ঘৰকে আদি কৰি দৌলঘৰ, বিভিন্ন মহান পুৰুষৰ চিঠি দৰ্শনৰ সৌভাগ্য হ'ল। ককা-আইতাৰ পৰা শুনা, বিদ্বান মহলৰ মাজত সততেই চৰ্চাত থকা বৰপেটা সত্ৰৰ অক্ষয় বন্তিগছি আৰু মূল বন্তিগছিৰ দৰ্শনে মোক পবিত্ৰতাৰ জ্ঞান দিলে। এইসমূহ দৃশ্য মোৰ মানসপটত চিৰদিন বন্দী হৈ থাকিল। ইয়াৰ পাছতে সত্ৰৰ বাহিৰত অৱস্থিত এখন হোটেলত পুৱাৰ লঘু আহাৰ সকলোৱে গ্ৰহণ কৰিলে। একে সময়তে মৰাং ছাৰে দি পঠিওৱা বোকাখাতৰ বিখ্যাত পেৰা বৰপেটাত উপভোগ কৰিলো। পুৱাৰ লঘু আহাৰ গ্ৰহণ কৰাৰ পাছত মই মৃণালিণী বাইদেউ আৰু ছাৰৰ লগত গ্ৰন্থৰ বিপনী এখনত সোমালো। সেই গ্ৰন্থৰ বিপনীৰ পৰাই বৰপেটা ভ্ৰমণৰ স্মৃতিৰূপে দুখন দেৱনামৰ গ্ৰন্থ আৰু এভাগি ঠগা ক্ৰয় কৰিলো। তাৰ পাছতেই আৰু কিছুপৰ সত্ৰৰ পৰিত আৰু আধ্যাত্মিক পৰিৱেশটোৰ মাজত সময় কটালোঁ। সেই সময়ছোৱাত শ্ৰৱণ কৰিছিলো বৰপেটা সত্ৰৰ নাম-প্ৰসংগ।

যি কি নহওঁক বৰপেটা সত্ৰৰ বিনন্দীয়া দৃশ্যবোৰ মনত সাঁচি আমি ঠিক ১০.৩০ মান বজাত গুৱাহাটীস্থিত শংকৰদেৱ কলাক্ষেত্ৰ অভিমুখে ৰাওনা হ'লো। কলাক্ষেত্ৰলৈ বুলি বাছত উঠিবৰ সময়ত মৃণালিণী বাইদেউৱে এটা মিঠাপান খুৱাইছিল যিটো মোৰ বাবে বুজাব নোৱাৰা সুখ আছিল। কোনো শিক্ষাগুৰুৰ পৰা এনেদৰে মৰম আৰু আন্তৰিকতা পোৱাটো বৰ সৌভাগ্যজনক। মইও ছাৰ-বাইদেউলৈ বুলি ঘৰৰ পৰাই লৈ যোৱা তামুল-পানৰ বাকচটো দিলো। তাপোন খাই ভালপোৱা ছাৰে মোৰ উপহাৰটো পাই মোক হিয়া উজাৰি আৰ্শীবাদ দিলে যি মোৰ কাৰণে অমৃতসদৃশ। সঁচাকৈ এনেবোৰ অনুপম ঘটনাই মানুহক জীয়াই থকাৰ আমোল-মন্ত্ৰ প্ৰদান কৰে যি গোটেই জীৱনৰ বাৱে হৈ পৰে সঞ্চিত ভঁৰালৰ প্ৰেৰণা।

কলাক্ষেত্ৰলৈ বুলি গুৱাহাটী মহানগৰীত প্ৰৱেশ কৰাৰ সময়ছোৱাত অধ্যক্ষ ছাৰে তেখেতৰ কটন বিশ্ববিদ্যালয়ত অধ্যয়ণৰত ছাত্ৰীক সাক্ষাতৰ বাবে পৃথককৈ যাত্ৰা মেলে। আমিও দীঘলীপুখুৰী হৈ গভীৰ যান-যঁটৰ মাজেৰে কলাক্ষেত্ৰৰ সন্মুখভাগত উপস্থিত হ'লো। শংকৰদেৱ কলাক্ষেত্ৰৰ প্ৰৱেশদ্বাৰত সকলোৰে বাৱে টিকট সংগ্ৰহ কৰা হ'ল। মই শংকৰদেৱ কলাক্ষেত্ৰৰ লগত সু-পৰিচিত আছিলো কাৰণ পূৰ্বেও মই এই কলাক্ষেত্ৰলৈ ভ্ৰমণসূচীৰে আহিছো। কলাক্ষেত্ৰত প্ৰৱেশ কৰিয়েই প্ৰথমে আমি ড° ভূপেন হাজৰিকাদেৱৰ সংগ্ৰাহলয়টোত সোমালো। সেই সংগ্ৰাহালয়টোত সঞ্চিত হৈ আছিল সুধাকণ্ঠৰ 'বিভিন্ন ৰাষ্ট্ৰীয়, অন্তৰাষ্ট্ৰীয় পৰ্যায়ত লাভ কৰা বঁটাকে ধৰি তেখেতৰ জীৱনৰ কৃতিত্ব আৰু বহু গুণগৰিমা। সম্পূৰ্ণভাৱে কলাক্ষেত্ৰ দৰ্শনৰ অন্তত সকলোৱে কলাক্ষেত্ৰৰ সন্মূখস্থিত এখন হোটেলত মধ্যাহ্ন আহাৰ গ্ৰহণ কৰিলো। সকলোৱে মধ্যাহ্ন আহাৰ গ্ৰহণ কৰি কিছুপৰ জিৰণি লৈ সকলোৱে বাছখনত উঠি ৰাওনা হ'লো নিজা নিজা সেই স্থানলৈ য'ৰ পৰা আমি যাত্ৰা আৰম্ভ কৰিছিলো। গৃহ অভিমুখী কালত প্ৰায় নিশা হৈছিল। নিশাভাগৰ আঠমান বজাত বাছখন বোকাখাতত ৰখোৱা হ'ল। তাতে সকলোৱে ফ্ৰেচ হৈ ল'লে আৰু নিজা নিজা পৰিয়াললৈ সকলোৱে মিঠাই ক্ৰয় কৰিলে। তাৰ পাছদিনা অৰ্থাৎ ২৭ অক্টোবৰত আছিল পোহৰৰ উৎসৱ দেৱালী। মৃণালিণী বাইদেউৱে ভ্ৰমণকালছোৱাত দিয়া শেষৰটো উপহাৰ তথা টকা ২০/- টো দেৱালীৰ প্ৰাক্কণত পাছদিনালৈ বুলি সাঁচিলো। ভ্ৰমণসূচীৰ শেষৰফালে বাছখন গৃহভিমুখী সময়ছোৱাত জখলাবন্ধাত ৰাখিবলৈ অমান্তি হোৱাক লৈ তেতিয়া অধ্যক্ষ ছাৰ আৰু বাছ চালকৰ মাজত মনোমালিন্য এটাও হৈছিল। অৱশ্যে মোৰ দৃষ্টিকোণেৰে বাছখন জখলাবন্ধাত

# জীৱ বৈচিত্ৰ্যৰ গুৰুত্ব আৰু ইয়াৰ সংৰক্ষণ

কবিতা শইকীয়া
দ্বিতীয় বৰ্ষ

আমি বসবাস কৰা পৃথিৱীখনত আমি চকুৰে দেখা নেদেখা বহুতো জীৱই বাস কৰি আছে। এই জীৱ বোৰৰ আকাৰ, আকৃতি, বাসস্থান, খাদ্যভাষ, আচৰণ আদি প্ৰায়বোৰ ক্ষেত্ৰতেই ভিন্নতা দেখাপোৱা যায়। প্ৰায়বোৰ ক্ষেত্ৰতেই এই আচৰণবোৰৰ ওপৰত ভিত্তি কৰি জীৱবোৰক বিভিন্ন ভাগত ভাগ কৰা হৈছে। এই জীৱজগতত সৰু ডাঙৰ প্ৰতিটো জীৱৰেই যথেষ্ট গুৰুত্ব আছে। পৃথিৱীৰ কোনো এক পৰিৱেশত থকা উদ্ভিদ। প্ৰাণী অনুজীৱ আদি জীৱৰ সমষ্টিকেই জীৱ বৈচিত্ৰ বোলা হয়। কোনো এখন ঠাইৰ বায়ু, পানী, মাটি, বৰষুণ, ৰ'দৰ প্ৰসাৰতা, উষ্ণতা আদি অজৈৱিক কাৰকৰ ওপৰত জীৱ বৈচিত্ৰ্যৰ ঘনত্ব, বৈশিষ্ট্য আদি নিৰ্ভৰ কৰে। জীৱ বিজ্ঞানত জীৱ বৈচিত্ৰ্যক তিনি প্ৰকাৰে অধ্যয়ন কৰা হয় -

১) প্ৰজাতি গত বৈচিত্ৰ,
২) পৰিস্থিতি তন্ত্ৰৰ বৈচিত্ৰ,
৩) আনুবংশিক বা জিনৰ বৈচিত্ৰ্য।

জীৱ বৈচিত্ৰ্যৰ গুৰুত্বৰ ভাগকেইটা হ'ল-
ক) অৰ্থনৈতিক, খ) বৈজ্ঞানিক, গ) নান্দনিক, ঘ) আধ্যাত্মিক বা নৈতিক।

অৰ্থনৈতিক ভাগটোৰ ভিতৰত সা-সঁজুলি, ইন্ধন, পৰ্যটন উদ্যোগ আদি ভাগবোৰ পৰে।

বৈজ্ঞানিক কাৰণত দৰৱ, প্ৰাকৃতিক ভাৰসাম্য, মহামাৰীৰ বিস্তাৰত বাধা, চিকিৎসা বিজ্ঞানৰ গৱেষণা আদি পৰে। জীৱ বৈচিত্ৰ্যৰ সুৰক্ষাৰ বাবে আমি কৰিব লগা কামবোৰ হ'ল-
১) হাবি-বননিৰ সুৰক্ষা, ২) জলাহ ভূমিবোৰৰ সুৰক্ষা, ৩) জৈৱিক কৃষি পদ্ধতিৰ প্ৰয়োগ, ৪) চোৰাং চিকাৰ বন্ধ কৰা, ৫) জলাশয় সৃষ্টি, ৬) সীমিত সম্পদ আহৰণ, ৭) ক্ষতিকৰ সামগ্ৰীৰ ব্যৱহাৰ সীমিতকৰণ, ৮) মানুহৰ কাম কাজৰ এলেকাৰ সীমাবদ্ধকৰণ, ৯) আৱৰ্জনাৰ বিজ্ঞান সন্মতকৰণ বা বিজ্ঞান সন্মত নিষ্কাশন, ১০) বৰষুণৰ পানী সংৰক্ষণ, ১১) আমদানিকৃত বা বৰ্ণসংকৰ প্ৰজাতিৰ ব্যৱহাৰৰ সীমাবদ্ধতা, ১২) পৰম্পৰাগত বিজ্ঞানসন্মাত পদ্ধতিৰ চৰ্চা অটুট ৰখা, ১৩) জনসংখ্যা নিয়ন্ত্ৰণ, ১৪) শিক্ষাৰ ব্যাপকতা, ১৫) স্থানীয় নীতি-নিয়মৰ প্ৰৱৰ্তন।

আমি সকলোৰে এই পৃথিৱীখনত জীয়াই থাকিবলৈ জৈৱ বৈচিত্ৰ্যৰ গুৰুত্ব আৰু সংৰক্ষণত গুৰুত্ব দিব লাগিব। আমি সকলোৰে মিলি আমাৰ জীৱ বৈচিত্ৰ্যক সুৰক্ষা দিয়াৰ বাবে সজাগতা সৃষ্টি কৰিব লাগে। গছ-গছনি ৰোপন কৰি আমাৰ পৰিৱেশটো আৰু সুন্দৰ কৰি তুলিবলৈ চেষ্টা কৰিব লাগে। আমাৰ বৰ্তমান সময়ত যিটো ক'ৰনা মহামাৰীয়ে ত্ৰাশৰ সৃষ্টি কৰিছে তাৰ পৰাও পৰিত্ৰাণ পাবলৈ আমি জীৱ বৈচিত্ৰ্য আৰু সংৰক্ষণৰ ওপৰত গুৰুত্ব দিয়াৰ প্ৰয়োজন। বনাঞ্চলৰ গছ-গছনিবোৰ কাটি ধ্বংশ নকৰি আমি সেইবোৰ সংৰক্ষণৰ বাবে চেষ্টা অটুত ৰাখিব লাগে। আমি সকলোৰে যদি উক্ত কামবোৰ ভালদৰে কৰোঁ তেতিয়া বৰ্তমানৰ লগতে ভৱিষ্যতেও পৃথিৱীখনত জীয়াই থাকিবলৈ সম্ভৱপৰ হৈ উঠিব। নান্দনিক কাৰণৰ ভিতৰত সৃষ্টিৰ ক্ষমতা আদি দেখা যায়। জীৱ বৈচিত্ৰ্যৰ ক্ষতিৰ ফলত সৃষ্টিহোৱা সমস্যা বোৰ এনেধৰণৰ —
১) পাৰিপাৰ্শ্বিক বিপৰ্যয়, ২) অৰ্থনৈতিক বিপৰ্যয়, ৩) মাটিৰ উৰ্বৰতা হ্ৰাস, ৪) ভূজলৰ নাটনি, ৫) পৰিপুষ্টিৰ অভাৱ, (৬) সাংস্কৃতিক বিপৰ্যয়, ৭) ভূ-মণ্ডলীয় উত্তাপ বৃদ্ধি, ৮) ৰোগ-ব্যাধিৰ প্ৰকোপ বৃদ্ধি, ৯) সহজলভ্য বনদৰৱৰ নাটনি, ১০) পৰাগযোগ (১১) ভূমিক্ষয় বৃদ্ধি, ১২) খাদ্যৰ নাটনি আদিবোৰ উল্লেখযোগ্য।

১০ পৃষ্ঠৰ পৰা

## জীৱ বৈচিত্র্যৰ

জীৱ বৈচিত্র্যৰ সংকটৰ কাৰণবোৰৰ ভিতৰত বনাঞ্চল ধ্বংস, জলাশয় ধ্বংস, ঘৰুৱা আৱৰ্জনা, কৃষিক্ষেত্ৰত ব্যৱহৃত ৰাসায়নিক দ্ৰব্য, কল কাৰখানাৰ আৱৰ্জনা, কৃত্ৰিম পোহৰৰ তীব্ৰতা, খেতি পথাৰৰ সম্প্ৰসাৰণ, চোৰাং চিকাৰ আৰু বে আইনী ব্যৱসায়, খনিজ দ্ৰব্য আহৰণ, জধে-মধে বনদৰৰ সংগ্ৰহ, বৰ্ণশংকৰ বীজৰ প্ৰয়োগ, শব্দ প্ৰদূষণ, নিৰ্মাণকাৰ্য, পোহনীয়া জীৱ-জন্তুৰ অত্যাধিক হেঁচা, একক শস্যৰ বাগান, কেৱল আৰ্থিকভাৱে লাভজনক উদ্ভিদক গুৰুত্ব, যুদ্ধত ব্যৱহৃত গোলা-বাৰুদ কলকাৰখানাক আৰু ইন্ধনবাহী বাহনৰ দুৰ্ঘটনা, যান-বাহন মেৰামতি কাৰখানা, শস্য সুৰক্ষাৰ বাবে প্ৰাণী হত্যা, বশী আহৰণ, অন্ধবিশ্বাসৰ প্ৰভাৱ, বিকৃত ৰুচি, খননকাৰ্য আদিবোৰ উল্লেখযোগ্য।

# শিক্ষা ব্যৱস্থাত ক'ভিড-১৯ ৰ প্ৰভাৱ

কমলীকা মণ্ডল
দ্বিতীয় বৰ্ষ



কভিড-১৯ মহামাৰী সমগ্ৰ দেশজুৰি বিয়পি পৰাৰ ফলত অসমতো বিভিন্ন দিশত অভূতপূৰ্ণ প্ৰভাৱ পৰা পৰিলক্ষিত হৈছে। বিশেষকৈ শিক্ষাখণ্ডত অপ্ৰত্যাশিত প্ৰত্যাহবানৰ সৃষ্টি কৰিছে। অসমত প্ৰায় সকলো শিক্ষাৰ্থী ১৫ মাৰ্চ, ২০২০ ইং তাৰিখৰ পৰা বৰ্তমানলৈকে নিজ নিজ শিক্ষানুষ্ঠানৰ পৰা আঁতৰত আছে। মুঠৰ ওপৰত কভিড-১৯ এ শিক্ষণ আৰু প্ৰত্যক্ষ শৈক্ষিক প্ৰক্ৰিয়ালৈ স্থবিৰতা নমাই আনিছে। এই কঠিন পৰিস্থিতিক মোকাবিলা কৰিবলৈ অসমৰ বিভিন্ন শিক্ষানুষ্ঠানে শিকন আৰু শিক্ষণ প্ৰক্ৰিয়াক বিভিন্ন গণ-মাধ্যম আৰু প্ৰযুক্তিৰ সহায়ত চলাই থকাৰ প্ৰয়াস কৰি থকা গৈছে। চৰকাৰী সংস্থা আৰু বিভিন্ন বৈদ্যুতিক চেনেলবোৰেও ডিজিটেল মাধ্যমত শিক্ষা প্ৰদান কৰাৰ ব্যৱস্থা লৈছে।

বিশ্ব স্বাস্থ্য সংস্থাই ১১ মাৰ্চৰ দিনা ক'ভিড-১৯ ক মহামাৰী হিচাবে ঘোষণা কৰিছিল। এই মহামাৰীটোক ৰোধ কৰিবলৈ সমগ্ৰ দেশ জুৰি লকডাউন ঘোষণা কৰিবলৈ বাধ্য হয়। প্ৰথমে জনতা কাৰ্ফিউ আৰু প্ৰথম পৰ্যায়ৰ লকডাউন হোৱাৰ পাছত দ্বিতীয় পযার্য় লকডাউন ঘোষণা কৰে আৰু বিদ্যালয়, মহাবিদ্যালয় সমূহ সম্পূৰ্ণৰূপে বন্ধ হৈ পৰে। যাৰ ফলত ছাত্ৰ-ছাত্ৰীসকলে নিজৰ মৰমৰ শিক্ষানুষ্ঠানখনৰ পৰা দূৰৈত অৱস্থান কৰিব লগা হোৱাটো তেওঁলোকৰ বাবে বিৰক্তিদায়ক হৈ পৰিছে। মুঠতে ক'বলৈ গ'লে কভিড-১৯ মহামাৰীয়ে সমগ্ৰ দেশৰ লগতে অসমৰ শিক্ষা ব্যৱস্থাত যথেষ্ট প্ৰভাৱ পেলাইছে।

*******************************

## মহৎলোকৰ বাণী

নীহাৰিকা বৰবৰা
দ্বিতীয় বৰ্ষ

১) "ভুলৰ বাবে আনক ক্ষমা কৰি দিবা। কিন্তু নিজক কোনো দিনে ক্ষমা নকৰিবা।" — চাইৰাছ

২) "এখন কিতাপ ফালিলে, এজন মানুহক হত্যা কৰা হয়।" — মহাত্মা গান্ধী

৩) "দেশৰ দৰিদ্ৰতা, অজ্ঞানতা গুচাবৰ প্ৰধান উপায় হ'ল শিক্ষা।" — আনন্দচন্দ্ৰ আগৰৱালা

৪) "মানুহক মানসিক তথা আধ্যাত্মিক ভাৱে সহায় কৰাটোৱেই হ'ল মানুহে কৰিব পৰা আটাইতকৈ ডাঙৰ কাম।।" — স্বামী বিবেকানন্দ

# সেউজীয়া স্মৃতি ৰোমন্থন

শ্ৰীমতী উপাসনা গগৈ
দ্বিতীয় বৰ্ষ, ২০২১

সৰাপাতৰ নিশব্দতা ভাঙি
মনে মোৰ ৰামধেনু আকোঁ
এৰি অহা ধূলি-বালিবোৰৰ মাজত
স্মৃতি সুঁৱৰি।

মোৰ বহল বিষাদৰ বুকুত
হেৰাই যাব নেকি সেই সেন্দুৰীয়া সময়বোৰ
হেৰাই যাব নেকি অন্তৰৰ গভীৰতম কোনৰ
অতীত ল'ৰালি আবেলিৰ ধেমালী

কি যে সুমধুৰ আছিল সেইদিনবোৰ
স্মৃতিৰ বকুল সৰা গধূলিত
সুখেৰে জিলিকিছিল জীৱন
নীলা আকাশৰ বুকুত উজ্বলিছিল পোহৰ

আজিৰ মনত নুফুলে শেৱালী
অ' মোৰ সুখৰ ফাগুন, তই কিয়নো গুচি গ'লি?
অশ্ৰুৰ মালিতা বাষ্পত উজ্বলি
নিজ মন মোৰ হ'ল আবেগিক

মুক্ত আকাশৰ নীলা ৰঙেৰে
সুৱাস বিলাই মোৰ মনৰ কাৰেঙত
পলাশৰ ৰঙাফুলে সুৱাস বিলাই
মোৰ মনৰ আন্ধাৰৰ চুকে-কোণে।



******************************

# মা

বিশাল পৃথিৱীৰ অন্তহীন যাত্ৰাত
জীৱনৰ মাধুৰ্য্যতা হৈছে মা
তোমাৰ অবিহনে যেন
সকলো দিশ আধৰোৱাময়
নিঃস্বাৰ্থ সীমাহীন প্ৰেমৰ ভঁৰাল
জগতৰ প্ৰথম উৎস
মা তুমি ধন্য
বীৰত্ব, সাহসী, তৃষ্ণা ভৰা
হৃদয়ত যেন মই বিলীন হ'ম
অপাৰ মহিমা তোমাৰ
ইশ্বৰৰূপী তুমি
মুকুতাৰ দৰে জিলিকি থাকা
জগতৰ প্ৰতিটো কোনত
তুমি যেন অমৰ
মা তুমি ধন্য।।



পূজা ঠেঙাল
দ্বিতীয় বৰ্ষ, ২০২১

# কৰ’না



ৰশ্মিতা দাস
**দ্বিতীয় বৰ্ষ, ২০২১**

তুমি আমাৰ জীৱনৰ
এক ভয়ানক ৰূপ।
এজন এজন কৈ
তোমাৰ বুকুলৈ গ’লা।।
নিষ্ঠুৰ নিয়তিৰ ওচৰত
হাৰি গ’ল সকলো।
ধৰ্ম, কলা-সংস্কৃতি, ৰাজনীতি আৰু শিক্ষা
সকলো আজি নিমাত।।
হাৰি গ’ল তোমাৰ সন্মুখত
হাহাকাৰ আজি মানৱ জাতি।
কি হ’ব শিক্ষাৰ্থীৰ জীৱন
ক’ত শিশুৰ জীৱন অন্ধকাৰ?
তোমাৰ অদৃশ্যমান শক্তিয়ে
শেষ কৰি দিলে সমগ্ৰ পৃথিৱীক।।
কি হ’ব শেষ পৰিণতি???






# আমাৰ মৰঙি মহাবিদ্যালয় (কনিষ্ঠ)

কৃতী ছেত্ৰী
দ্বিতীয় বৰ্ষ

স্মৃতিৰ পৰিপূৰ্ণতাৰে উজ্বলিল মোৰ শিক্ষানুষ্ঠানখনি,
সপোনৰ  আপাহতে ঠিক দুই বছৰৰ আগতে
ওলাইছিলোঁ মৰঙি উচ্চ শিখৰৰ
শিক্ষানুষ্ঠানলৈ বুলি।
তোমালোকে বাৰু ভাবিছিলানে?
যে এদিন অনিচ্ছা স্বতেও তাৰ পৰা
গুচি আহিব লাগিব বুলি...।
নিশ্চয় নাইভৰা...
মৰম আকুলতাৰে ভৰা, বন্ধু-বান্ধৱীৰ লগত পাৰকৰা
মধুৰৰ পৰা মধুৰতম সময়খিনি, বাক্যাগধুৰ মৰমখিনি
পাৰিম জানো তাক যাব পাহৰি...!
ছাৰ-বাইদেউৰ নিঃস্বাৰ্থ অকৃত্ৰিম মৰম ভাব,
সেই দিনবোৰ কতনো হেৰাই যায়?
পাম জানো তাক আকৌ বিচাৰি?
কৃৰ্ত্তিত্ব গৌৰবেৰে উজ্বলিব মোৰ আপোন
'মৰঙি মহাবিদ্যালয়খনি (কনিষ্ঠ)
... য'ত প্ৰসাৰিত হয় জ্ঞানশিখাৰ আলোকেৰে
আৰু অগ্নিস্পন্দতাৰ মুকুতামণি।

# মই যাব খোজোঁ সেই বাটেদি

প্ৰণালী বৰা

যদিওবা মই অকণি
হ'ব খোজোঁ দেশৰ ধৰণী
অগ্ৰজসকলৰ দুহাতত ধৰি
আগুৱাব খোজো
সকলো বাধা নেওচি
সুকোমল ফুলৰ বাটেদি
যি বাটেদি গ'লে মই দেখা পাম
মানুহে মানুহৰ বাবে জীয়াই থকাৰ
এবুকু তীব্ৰ অনুভূতি
হিংসা, বিদ্বেস মই মুঠেই ভাল নাপাও
ভাল নাপাও মই ত্ৰাস-সন্ত্ৰাস,
শুনিবলৈ নিবিচাৰোঁ মই
বন্দুক-বাৰুদে সৃষ্টি কৰা
জুই,চাই আৰু ধোঁৱা,
সেয়ে মই আগুৱাব খোজো
সেই বাটেদি
যি বাটেদি গ'লে মই পাম
মোৰ আইৰ বাবে
সুখৰ এমোকোৰা হাঁহি
উশাহৰ বাবে অকণমান মুক্ত বতাহ।

# আজৰি পৰৰ সন্ধান

লোহিত ফুকন
কাৰ্যালয় সহায়ক

বিশাল সমুদ্ৰৰ তীৰত বহি
কেউদিশ কেৱল শূন্যতা
আজৰি পৰৰ সন্ধানত
সৃষ্টিৰ আদিপাঠৰ
চানেকি লুটিয়াই
বিচাৰি ফুৰোঁ
আজৰি পৰৰ অজান পৃষ্ঠা।
হৃদয়ৰ উপকূলত
গধুলি নিজান পৰত
এছাৰখাই আছে
গল্প কবিতা।
সময়ে আৰ্তনাদ কৰে
থুন-থুনাই সৰি পৰে
আশাৰ পোৱালমণি
ক'বনে বাৰু আজৰি সময়
কোনখিনি?
নাই কোনোৱে সমিধান
দিব নোৱাৰে
কবিৰ আজৰি পৰৰ সন্ধান
প্ৰতিধ্বনিত হয়
অন্তহীন গৰ্জন
শূন্যতা কেৱল
কেউদিশ শূন্যতা।

******************************

# আই অসমী

নীহাৰিকা বৰবৰা
দ্বিতীয় বৰ্ষ

অসম আমাৰ জনমভূমি
আমি অসমীয়া
নাই আমাৰ ভেদাভেদ
মৰম যুগমীয়া।
আমাৰ ৰূপহী অসমখনি
অতিকে বিতোপন,
ইতিহাসত আছে ইয়াৰ
অলেখ বিৰৰণ।
শংকৰ মাধৱ বিষ্ণু-জ্যোতি
মহাপুৰুষৰ আদৰ্শৰ
মোৰ আই অসমী।
নানা জাতি-উপজাতিৰ
সংমিশ্ৰিত আমাৰ
অসমীয়া জাতি।
জাতিৰ দাপোন
অসমীয়া ভাষাটি
মোৰ অতিকৈ চেনেহৰ,
দেখিছোঁ সপোন
জিলিকি উঠাৰ,
বিশ্বদৰবাৰত
আমাৰ আই অসমীক,
সফল হোৱা তুমি আই অসমী
জনাইছোঁ তোমাক
শতকোটি প্ৰণাম।।

# কুইজ

**পৰিনীতা ঠেঙাল**
দ্বিতীয় বাৰ্ষিক

১) টেলিফোনত প্ৰথম 'হেল্লো' শব্দটো কোনে কৈছিল?
উত্তৰ ঃ টমাচ আলভা এডিচনে।
২) ভাৰতৰ সৰ্বাধিক ছাত্ৰ-ছাত্ৰী থকা শিক্ষানুষ্ঠানকনৰ নাম কি?
উত্তৰ ঃ ইন্দিৰা গান্ধী মুক্ত বিশ্ববিদ্যালয়।
৩) বিশ্বৰ প্ৰথমগৰাকী মহিলা ৰাষ্ট্ৰপতি কোন?
উত্তৰ ঃ মেৰিয়া এছাটলা পাৰছন (আৰ্জেণ্টিনা)
৪) ভাৰতত বাস কৰা প্ৰথমগৰাকী ইংৰাজ ব্যক্তি কোন?
উত্তৰ ঃ থমাছ ষ্টিফেন।
৫) নিউয়ৰ্ক মহানগৰীৰ পুৰণি নাম কি?
উত্তৰ ঃ নিউ আমষ্টাৰডাম।

# সাঁথৰ

১) এটা মাছৰ দুখন ফিচা, বুৰ মাৰিলেই সকলো মিছা
— নাও।
২) গৰজি গৰজি আহাৰ খায়, পেটত হ'লে একো নাই
— ঢেঁকী।
৩) সংসাৰ চলাইছে চা, মাজৰটো নকওঁ যা, শেষৰটো ল, কি বাৰু ক
— চাউল।
৪) মাটিৰ তলৰ বহা বুঢ়ী, চোলা পিন্ধে কুৰি কুৰি
— নহৰু।
৫) সৌৰা আহিছে মহাবীৰ ভাই, ঠেলা মাৰি কোনফালে যায়
— বতাহ।

৯ পৃষ্ঠাৰ পৰা

### শ্ৰীশ্ৰী মাধৱদেৱৰ দ্বাৰা

ৰখোৱাটো প্ৰয়োজনীয় বুলি বিবেচনা কৰিছিলো। যিহেতু যাত্ৰীৰূপত বহু ছাত্ৰীও আছিল। বহু আশা-প্ৰত্যাশ্যাৰ মাজেৰে আমাৰ যাত্ৰাটোৰ সফল অন্ত পৰিল ২৬ অক্টোবৰৰ নিশা ৯ বজা।

মই সকলোকে যাত্ৰাটোৰ বিদায় সম্ভাষণ জনাই বাছৰ পৰা নামিলো আৰু এক মুহূৰ্তৰ বাবে অনুভৱ কৰিলো কলেজীয়া ছাত্ৰ-জীৱনৰ এক অনুপম, ঐতিহাসিক, সেউজীয়া মুহূৰ্তবোৰ। সঁচাকৈ এই যাত্ৰাটো আমাৰ সকলোৰে বাবে আছিল এক ঐতিহাসিক যাত্ৰা। প্ৰায় চচ্ছু ঘণ্টীয়া যাত্ৰাটোত বহুত নেদেখা বিষয়বস্তু দেখিলে, বহু নেদেখা বিষয়বস্তু শিকিলো। সকলোৰে বাবে এই উল্লেখযোগ্য যাত্ৰাটো আনন্দৰ উৎসৰ লগতে অধ্যয়ণৰ ক্ষেত্ৰ ৰূপেও প্ৰতিপন্ন হৈ ৰ'ল।

# মহৎলোকৰ বাণী

**প্ৰণালী বৰা**

১) পৃথিৱীত সাবাতোকৈ সহজ কাম হৈছে আনৰ সমালোচনা কৰা, সবাতোকৈ টান কাম হৈছে নিজক সংশোধন কাৰ — হেম বৰুৱা।

২) খাবলৈ জীয়াই নাথাকিবা, জীয়াই থাকিবৰ বাবেহে খাবা

— মহাত্মা গান্ধী।

৩) ল'ৰা-ছোৱালীক প্ৰকৃততে ভদ্ৰ হ'বলৈ শিক্ষা দিব লাগে, অভদ্ৰ হ'বলৈ নহয়

— পদ্মনাথ গোহাঞি বৰুৱা।

৪) আমি চৰাইদৰে উৰিবলৈ শিকিছো, মাছৰদৰে সাঁতুৰিবলৈ শিকিছো, কিন্তু এখন পৃথিৱীত জন্তুৰ দৰে বাস কৰিবলৈ শিকা নাই

— মাৰ্টিন লুথাৰ।

৫) মোক এগৰাকী ভাল মাতৃ দিয়া, মই তোমালোকক এটা জাতি দিম — সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱা।

১) শিক্ষাই প্ৰতিজন মানুহৰ মনত নিহিত হৈ থকা সাৰ্বজনীন যুক্তিসিদ্ধ ভাবধাৰাটোক বাহিৰত প্ৰকাশ কৰে।

— চক্ৰেটিছ

২) শিশু হ'ল এখন কিতাপ, যাৰ প্ৰতিটো পৃষ্ঠা শিক্ষকে অধ্যয়ন কৰিব লাগিব

— ৰুছো।

৩) পৰিবেশে মানুহক যি শিক্ষা দিয়ে, পাঠ্যপুথিয়ে সেই শিক্ষা দিব নোৱাৰে

— মাৰ্ক টোয়েন

৪) খং নকৰিবা নিজৰ সৰ্বনাশ হ'ব, অহংকাৰ নকৰিবা পটন হ'ব, কাকো ঘৃণা নকৰিবা, নিজেও ঘৃণিত হ'বা, ফাঁকি নিদিবা, ফাঁকত পৰিবা

— স্বামী বিবেকানন্দ।

৫) কৰ্মই আমাক তিনিটা বৃহৎ অনিষ্টকাৰী শক্তিৰ পৰা ৰক্ষা কৰে - ক্লান্তি, কু-অভ্যাস আৰু অভাৱ

— ভাল্টেয়াৰ।

৬) জন্মৰ দ্বাৰা নহয় কৰ্মৰদ্বাৰাহে মানুহ মহান হয় — মহাবীৰ।

৭) তুমি তোমাৰ লক্ষ্যত উপনীত হ'বলৈ হৃদয়ক সাহসী কৰি তোলা, তেতিয়া দেখিবা যে তুমি কেতিয়াও অকৃতকাৰ্য নোহোৱা

— শ্ৰেক্সপীয়েৰ।

৮) এশজন শিক্ষকে কৰিব নোৱাৰা কাম এগৰাকী আদৰ্শ মাতৃয়ে অকলেই কৰিব পাৰে

— জৰ্জ হাৰ্বাট

# প্ৰথম অসমীয়া মহিলা

**কাশ্মিৰী বৰা**
দ্বিতীয় বৰ্ষ

১। প্ৰথম স্নাতক- সুখলতা দুৱৰা আৰু সুধালতা দুৱৰা।
২। প্ৰথম গ্ৰন্থকাৰ- পদ্মশ্ৰীদেৱী ফুকননী।
৩। পদ্মশ্ৰী- নলিনীবালা দেৱী।
৪। পি.এইচ.ডি উপাধি- ড° কমলা ৰায়, ড° তিলোত্তম গগৈ।
৫। প্ৰথম মহিলা মুখ্যমন্ত্ৰী- ছৈয়দা আনোৱাৰ টাইমূৰ।
৬। আই. এ. এচ. - পাৰুল দাস।
৭। ৰণক্ষেত্ৰলৈ যোৱা বীৰংগনা- মূলা গাভৰু।
৮। এন.চি.এচ- শুচিব্ৰতা ৰায় চৌধুৰী।
৯। অসম সাহিত্য সভাৰ সভাপতি- নলিনীবালা দেৱী।
১০। সাহিত্যিক পেঞ্চনাৰ- নলিনীবালা দেৱী।
১১। অৰ্জুন বঁটা- মনালিছা (বৰুৱা) মেহতা।
১২। গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধ্যাপিকা- লীলা দেৱী।
১৩। গুৱাহাটী উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ- মীৰা শৰ্মা।
১৪। ভূগোলত পি. এইচ. ডি- দীপ্তি দাস।
১৫। সাহিত্য একাডেমী বঁটা- নলিনী বালা দেৱী।
১৬। জ্ঞানপীঠ বঁটা বিজয়ী- ড° মামণি ৰয়চম গোস্বামী।
১৭। অসমৰ প্ৰথম ৰাজ্য শাসন কৰা মহাৰাণী- ফুলেশ্বৰী কুঁৱৰী।

# মহৎলোকৰ বাণী

**ববিতা শইকীয়া**

(১) তোমাৰ লক্ষ্য স্থান ক'ত? সেইটো যদি ঠিক কৰিব নোৱাৰা, তেন্তে কোন পথে খোজ দিবা, কেনেকৈ জানিবা। তোমাৰ লক্ষ্যই তোমাৰ পথ নিৰ্দ্ধাৰণ কৰিব

— লিটন।

(২) ছাত্ৰ জীৱন অতি সুখৰ, অতি মধুৰ কিন্তু অতি কঠোৰ বিধি নিষেধৰ দ্বাৰাই সংযত কৰি ৰাখিব লাগে।

— তৰুণৰাম ফুনক।

(৩) পৰিস্থিতি যিমানেই ভয়লগা নহওক কিয়, দৃঢ়তা আৰু আত্মবিশ্বাস থাকিলে জয়লাভ সুনিশ্চিত।

— পিয়েৰ টেলহাৰ্ড।

(৪) আনকসমালোচনা কৰিবলৈ যোৱাৰ আগতে নিজক সমালোচনা কৰা। নিজে শুদ্ধ আৰু পৱিত্ৰ হ'ব পাৰিলেহে আনৰ বিষয়ে মতামত দিয়াৰ যোগ্যতা অৰ্জন কৰিব পাৰিবা

— লিটন।

*২০ পৃষ্ঠাৰ পৰা*

# মহৎ লোকৰ বাণী

**কমলীকা মণ্ডল**

**দ্বিতীয় বৰ্ষ**

মানুহৰ ভিতৰত যি পূৰ্ণতা সুপ্তভাৱে আছে তাৰ বিকাশেই হ'ল শিক্ষা।

— স্বামী বিবেকানন্দ

ভুল স্বীকাৰ কৰাটো পৰাজয় নহয়, স্বীকাৰোক্তিয়ে জয়ী হোৱা বুজায়।

— মহাত্মা গান্ধী

সমস্যাক তোমাৰ গৰাকী হ'বলৈ নিদিবা, তুমি সমস্যাৰ গৰাকী হৈ সমস্যাৰ প্ৰতিহত কৰা।

— ড° এ. পি. জে আব্দুল কালাম

এখন ভাল কিতাপ নষ্ট কৰা আৰু এজন মানুহক হত্যা কৰা একে কথা।

— মিল্টন

বিশ্বাসৰ ফল প্ৰেম, প্ৰেমৰ ফল সেৱা, সেৱাৰ ফল শান্তি।

— মাদাৰ টেৰেছা


# মৰঙি মহাবিদ্যালয় (কনিষ্ঠ)ৰ শিক্ষক-কৰ্মচাৰীবৃন্দ


মৃণালিনী হাজৰিকা,
অধ্যক্ষা (ভাঃ প্ৰাঃ), ইংৰাজী বিভাগ


জ্যোতিষ কুমাৰ শইকীয়া
জ্যেষ্ঠ প্ৰৱক্তা, অসমীয়া বিভাগ


কল্পনা বৰা
জ্যেষ্ঠ প্ৰৱক্তা, অৰ্থনীতি বিভাগ


ৰত্নেশ্বৰ মৰাং
জ্যেষ্ঠ প্ৰৱক্তা, অসমীয়া বিভাগ


বিকাশ হাজৰিকা
প্ৰৱক্তা, ৰাজনীতি বিজ্ঞান বিভাগ


অমৰজ্যোত বৰা
প্ৰৱক্তা, সমাজশাস্ত্ৰ বিভাগ


নীলাক্ষী হাজৰিকা
প্ৰৱক্তা, শিক্ষা বিভাগ


প্ৰাঞ্জল শইকীয়া
প্ৰৱক্তা, অৰ্থনীতি বিভাগ


অভিজিৎ শইকীয়া
প্ৰৱক্তা, ইংৰাজী বিভাগ


শেৱালী শইকীয়া
প্ৰৱক্তা, ৰাজনীতি বিজ্ঞান বিভাগ


প্ৰমোদ শইকীয়া
প্ৰৱক্তা, বুৰঞ্জী বিভাগ


মনালিছা সন্দিকৈ
প্ৰৱক্তা, সমাজশাস্ত্ৰ বিভাগ


বিজু গোস্বামী
প্ৰৱক্তা, বুৰঞ্জী বিভাগ


নিপুল বৰা
উচ্চবৰ্গ সহায়ক


লোহিত ফুকন
নিম্ন বৰ্গ সহায়ক


পৰাগজ্যোতি বৰা
গ্ৰন্থাগাৰ সহায়ক

চতুৰ্থবৰ্গ কৰ্মচাৰী


বিপুল গগৈ


বকুল শইকীয়া


শ্যাম তাঁতী

# ২০১৯ - ২০২০ বৰ্ষৰ ছাত্ৰ একতা সভাৰ সদস্য ঃ




চাজিদুৰ ৰহমান
উপ-সভাপতি



সুমন শইকীয়া
সাধাৰণ সম্পাদক



প্ৰতীমা বৰা
সহঃ সাধাৰণ সম্পাদক



চাজিদা বেগম
সাহিত্য আৰু তৰ্ক সম্পাদিকা



ৰিংকী গগৈ
সাংস্কৃতিক সম্পাদিকা




ৰবি তাঁতী
ক্ৰীড়া সম্পাদক



মৃদুস্মিতা গগৈ
সমাজসেৱা সম্পাদক



ৰ'দালি তিমুংপী
ছাত্ৰী জিঃ কোঃ সম্পাদিকা



টিংকু শইকীয়া
ক্লাছ মণিটৰ



কৌশিক দাস
ছাত্ৰ জিঃ কোঃ সম্পাদক



বৃক্ষৰোপন



'বিদ্যালয় সপ্তাহ'ৰ সাংস্কৃতিক অনুষ্ঠানৰ এটি মুহূৰ্ত্ত



'বিদ্যালয় সপ্তাহ'ৰ সাংস্কৃতিক অনুষ্ঠানৰ এটি মুহূৰ্ত্ত



'বিদ্যালয় সপ্তাহ'ৰ সাংস্কৃতিক অনুষ্ঠানৰ এটি মুহূৰ্ত্ত




‘বিদ্যালয় সপ্তাহ’ৰ সাংস্কৃতিক অনুষ্ঠানৰ এটি মুহূৰ্ত্ত




‘বিদ্যালয় সপ্তাহ’ৰ সাংস্কৃতিক অনুষ্ঠানৰ এটি মুহূৰ্ত্ত




‘বিদ্যালয় সপ্তাহ’ৰ সাংস্কৃতিক অনুষ্ঠানৰ এটি মুহূৰ্ত্ত



আমাৰ মহাবিদ্যালয় (কনিষ্ঠ)



অভিনন্দন অনুষ্ঠানৰ এটি মুহূৰ্ত্ত



অভিনন্দন অনুষ্ঠানৰ এটি মুহূৰ্ত্ত



অভিনন্দন অনুষ্ঠানৰ এটি মুহূৰ্ত্ত



বৃক্ষ ৰোপন

# মহাবিদ্যালয়ৰ বিভিন্ন মুহূৰ্ত্ত















# মহাবিদ্যালয়ৰ বিভিন্ন মুহূৰ্ত্ত







# মহাবিদ্যালয়ৰ বিভিন্ন মুহূৰ্ত













# মহাবিদ্যালয়ৰ বিভিন্ন মুহূৰ্ত্ত





